অধ্যায় ৭ ঃ সাহিত্যদর্পণ (দশম পৰিচ্ছেদ)— উপমা, ৰূপক, অনন্বয়, অপহ্নুতি অলঙ্কাৰ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অলঙ্কাৰৰ লক্ষণ

৭.৩.১ অলঙ্কাৰৰ প্ৰকাৰ

৭.৪ উপমা অলঙ্কাৰ

৭.৪.১ উপমা অলঙ্কাৰৰ ভাগ

৭.৫ ৰূপক অলঙ্কাৰ

৭.৬ অনন্বয় অলঙ্কাৰ

৭.৭ অপহ্নুতি অলঙ্কাৰ

৭.৮ নিদর্শনা অলঙ্কাৰ

৭.৯ অর্থান্তৰন্যাস অলঙ্কাৰ

৭.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১১ অধিক জানিবলৈ

৭.১২ অগ্ৰগতিৰ খতিয়ান

৭.১৩ আৰ্হি প্ৰশ্ন।

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অলঙ্কাৰৰ লক্ষণৰ বিষয়ে জানিব পাৰিব
- অলঙ্কাৰৰ বিভিন্ন ভাগৰ বিষয়ে অৱগত হ'ব
- উপমা অলঙ্কাৰৰ বিষয়ে জানিব পাৰিব
- ৰূপক অলঙ্কাৰৰ লগত অবগত হ'ব
- অনন্বয় অলঙ্কাৰৰ বিষয়ে জানিব পাৰিব
- অপহ্নুতি অলঙ্কাৰৰ বিষয়েও জানিব পাৰিব
- নিদর্শনা অলঙ্কাৰৰ বিষয়েও জানিব পাৰিব
- অর্থান্তৰন্যাস অলঙ্কাৰৰ বিষয়েও জানিব পাৰিব।

৭.২ পৰিচয়

অলঙ্কাৰ কাব্যৰ এক অপৰিহার্য্য বৈশিষ্ট্য। ই কাব্যৰ সৌন্দর্য্যবর্দ্ধক। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সংস্কৃত কাব্য সাহিত্যত ব্যৱহাৰ হোৱা অলঙ্কাৰৰ বিষয়ে জানিব পাৰিব। লগতে অলঙ্কাৰনো কি, ইয়াৰ লক্ষণ কি— সেই বিষয়েও অৱগত হ'ব। এই অলঙ্কাৰক বিভিন্ন ভাগত ভাগ কৰা হৈছে। তাৰে কেইটামান অলঙ্কাৰৰ বিষয়ে এই অধ্যায়টি অধ্যয়ন কৰি জানিব পাৰিব। সেই অলঙ্কাৰ কেইবিধ হৈছে উপমা, ৰূপক, অনন্বয়, অপহ্নুতি নিদর্শনা আৰু অর্থান্তৰন্যাস।

৭.৩ অলঙ্কাৰৰ লক্ষণ

সাহিত্য সমীক্ষাৰ গ্রন্থক সংস্কৃত ভাষাত অলঙ্কাৰ গ্রন্থ বোলা হয়। সংস্কৃত অলঙ্কাৰ গ্রন্থসমূহৰ ভিতৰত বিশ্বনাথ কবিৰাজৰ "সাহিত্যদর্পণ" এখন সুপ্রসিদ্ধ গ্রন্থ। এই "সাহিত্য দর্পণ" গ্রন্থৰ দশম ***পৰিচ্ছেদত*** লিখকে কাব্য সাহিত্যত ব্যৱহাৰ হোৱা অলঙ্কাৰৰ বিষয়ে সবিশেষ উল্লেখ কৰিছে। বিশ্বনাথে অলঙ্কাৰৰ লক্ষণ এনেদৰে উল্লেখ কৰিছে—

"শব্দার্থয়োৰস্থিৰা যে ধর্মাঃ শোভাতিশায়িনঃ
ৰসাদীনুপকুর্বন্তোহলঙ্কাৰাস্তেহঙ্গদাদিবৎ।।"

উক্ত বাক্যশাৰীত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হৈছে—শব্দার্থয়োঃ (শব্দ আৰু অর্থৰ) অস্থিৰা ধর্মাঃ (***অস্থিৰ ধর্ম***সমূহ) যে (যি) শোভাতিশায়িনঃ (অতিশয় সৌন্দর্য্যবর্দ্ধক) ৰসাদীন্ (ৰস আদিৰ) উপকুর্বন্তঃ (উপকাৰক) অলঙ্কাৰাঃ (অলঙ্কাৰবোৰ) অঙ্গদাদিবৎ (মানৰ শৰীৰত থকা কেয়ূৰ আদিৰ দৰে)

এই সংস্কৃত বাক্যফাঁকিৰ অসমীয়া অনুবাদ হৈছে—

"অলঙ্কাৰ হৈছে কাব্যৰ অতিশয় সৌন্দর্য্যবর্দ্ধক ৰস আদিৰ উপকাৰক, শব্দ আৰু অর্থৰ অস্থিৰ ধর্ম আৰু মানৰ শৰীৰৰ অলঙ্কাৰৰ দৰে।" অর্থাৎ কেয়ূৰ, কুণ্ডল আদি অলঙ্কাৰ পিন্ধিলে মানুহৰ শৰীৰৰ শোভা বর্দ্ধন হয়। মানুহক শুৱনি দেখি। লগতে ই আত্মাৰো উপকাৰ সাধন কৰে। কাব্য এখনৰ শৰীৰ হৈছে শব্দ আৰু অর্থ। কাৰণ অর্থ থকা শব্দৰ দ্বাৰাহে এখন কাব্য ৰচনা কৰিব পাৰি। যিয়ে কাব্যৰ শব্দ আৰু অর্থৰ শোভা বঢ়ায়, লগতে কাব্যৰ মূল বা আত্মা 'ৰস'ৰো উপকাৰ সাধন কৰে তাকে অলঙ্কাৰ বোলা হয়।

ভিন্ ভিন্ সময়ত ভিন্ ভিন্ আলঙ্কাৰিকে অলঙ্কাৰ সম্বন্ধে বহুতো সংজ্ঞা নির্দ্ধাৰণ কৰি গৈছে। আচার্য্য বামনে তেওঁৰ "কাব্যালঙ্কাৰসূত্রবৃত্তি" নামৰ গ্রন্থত কৈছে যে "কাব্যং গ্রাহ্যমলঙ্কাৰাৎ" (অর্থাৎ অলঙ্কাৰ থকাৰ বাবেহে কাব্য গ্রাহ্য বা উপাদেয় হয়)। আন এজন সংস্কৃত সাহিত্যৰ বিখ্যাত আলঙ্কাৰিক আচার্য্য দণ্ডীয়ে তেওঁৰ "কাব্যাদর্শ" নামৰ গ্রন্থত উল্লেখ কৰিছে যে "কাব্যশোভাকৰান্ ধর্মানলঙ্কাৰান্ প্রচক্ষতে।" (অর্থাৎ যিবোৰ ধর্মই কাব্যৰ শোভা বঢ়ায় সেইবোৰকে অলঙ্কাৰ বোলা হয়।)



পৰিচ্ছেদ ঃ গ্রন্থৰ একোটা অধ্যায়।



অস্থিৰ ধর্ম ঃ অস্থিৰ শব্দৰ অর্থ অস্থায়ী, একান্ত অপৰিহার্য্য নহয়।

৭.৩.১ অলঙ্কাৰৰ প্ৰকাৰ

কাব্যৰ অলঙ্কাৰসমূহক তিনি ভাগত ভাগ কৰিব পাৰি। সেই ভাগকেইটা হৈছে— (ক) শব্দালঙ্কাৰ, (খ) অর্থালঙ্কাৰ আৰু (গ) উভয়ালঙ্কাৰ।

ক) **শব্দালঙ্কাৰ ঃ** কাব্যৰ যিবোৰ অলঙ্কাৰ শব্দক আশ্রয় কৰি হয় তাক শব্দালঙ্কাৰ বোলা হয়। ইয়াত শব্দৰ সলনি কৰিব নোৱাৰি। যেনে— অনুপ্রাস, যমক, বক্রোক্তি, শ্লেষ, প্রহেলিকা, পদ্মবন্ধ আদি।

খ) **অর্থালঙ্কাৰ ঃ** কাব্যৰ যিবোৰ অলঙ্কাৰ অর্থক (শব্দৰ অর্থক) আশ্রয় কৰি হয় তাক অর্থালঙ্কাৰ বোলা হয়। এই অলঙ্কাৰত শব্দৰ সলনি কৰিব পাৰি। এটা শব্দক সলনি কৰি আন এটা তেনে অর্থযুক্ত শব্দ এই অর্থালঙ্কাৰত ব্যৱহাৰ কৰিব পাৰি। যেনে— উপমা, ৰূপক, উৎপেক্ষা আদি।

গ) **উভয়ালঙ্কাৰ ঃ** এই অলঙ্কাৰৰ আন এটা নাম "পুনৰুক্তৱদাভাস অলঙ্কাৰ"। শব্দালঙ্কাৰ আৰু অর্থালঙ্কাৰ —এই দুয়োটাৰে বৈশিষ্ট্য থকা বাবে এই অলঙ্কাৰক উভয়ালঙ্কাৰ বোলা হয়। এই অলঙ্কাৰ একে অর্থ যেন দেখা ভিন্ ভিন্ শব্দৰ প্রয়োগৰ পৰা হয়। (পুনঃ উক্তৱৎ- আভাসঃ অলঙ্কাৰঃ)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ "সাহিত্যদর্পণ" গ্রন্থৰ ৰচক কোন?

.....

প্রশ্ন নং ২ ঃ 'পৰিচ্ছেদ' বুলিলে কি বুজায়?

.....

প্রশ্ন নং ৩ ঃ কাব্যৰ অলঙ্কাৰ বুলিলে কি বুজা যায়?

.....

.....

প্রশ্ন নং ৪ ঃ অলঙ্কাৰ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ৫ ঃ "উভয়ালঙ্কাৰ"ৰ আন এটা নাম কি?

.....

৭.৪ উপমা অলঙ্কাৰ

অর্থালঙ্কাৰৰ ভিতৰত উপমা প্রধান আৰু সর্ব্ব্যাপক। উপমা অলঙ্কাৰক অর্থালঙ্কাৰৰ জননীৰূপে গণ্য কৰা হয়। "**সাহিত্যদর্পণ**" গ্রন্থৰ দশম পৰিচ্ছেদত বিশ্বনাথ কবিৰাজে উপমা অলঙ্কাৰৰ লক্ষণ এনেদৰে উল্লেখ কৰিছে— ***"সাম্যং বাচ্যমবৈধর্ম্যং বাক্যৈক্য*** উপমা দ্বয়োঃ।"

সাম্য ঃ সমতা বা সাদৃশ্য।
বাচ্য ঃ প্রকাশিত বা ব্যক্ত।
বৈধর্ম্য ঃ পার্থক্য।

এই বাক্যফাঁকিৰ অসমীয়া অনুবাদ হৈছে, বৈধর্ম্যৰ উল্লেখ নকৰাকৈ একে বাক্যতে দুটা বস্তুৰ সাদৃশ্য বাচ্যৰূপে কথিত হ'লে তাকে উপমা অলঙ্কাৰ বোলে। অর্থাৎ একেটা বাক্যত দুটা পদার্থৰ পার্থক্য নথকা প্রকাশিত সাদৃশ্যকে উপমা অলঙ্কাৰ বোলে।

৭.৪.১ উপমা অলঙ্কাৰৰ ভাগ

উপমাক প্রধানকৈ দুটা ভাগত ভাগ কৰা হৈছে— পূর্ণা উপমা আৰু লুপ্তা উপমা।

পূর্ণা বা উপমা বা পূর্ণোপমা ঃ বিশ্বনাথ কবিৰাজে পূর্ণোপমাৰ লক্ষণ **"সাহিত্যদর্পণ"** নামৰ গ্রন্থৰ দশম পৰিচ্ছেদত এনেদৰে উল্লেখ কৰিছে—

"সা পূর্ণা, যদি সামান্যধর্ম ঔপম্যবাচি চ।
উপমেয়ং চোপমানং ভবেদ্বাচ্যম্।"

যি উপমা অলঙ্কাৰত ***সাধাৰণ ধর্ম, উপমাবাচক শব্দ, উপমেয়*** আৰু ***উপমান*** উক্ত হয়, তাকে পূর্ণোপমা অলঙ্কাৰ বোলা হয়। মুখং কমলম্ ইব সুন্দৰম্ (মুখখন পদুমৰ দৰে ধুনীয়া) এই বাক্যফাঁকিত উপমাবাচক শব্দ হৈছে 'ইব' উপমেয় হৈছে 'মুখ', উপমান হৈছে 'কমল' আৰু সাধাৰণ ধর্ম হৈছে 'সুন্দৰম্'। গতিকে বাক্যফাঁকিত পূর্ণোপমাৰ সকলো উপাদান আছে।

সাধাৰণ ধর্ম ঃ দুটা বস্তুৰ সাদৃশ্যৰ কাৰণ, গুণ আৰু ক্রিয়া।
উপমাবাচক শব্দ ঃ তুলনা কৰা শব্দ।
উপমেয় ঃ প্রকৃত বস্তু।

পূর্ণোপমাৰ প্রকাৰ ঃ এই পূর্ণোপমাক শ্রৌতী আৰু আর্থী —এই দুই ভাগত ভাগ কৰা হৈছে—

"শ্রৌতী যথেব বা শব্দা ইবার্থো বা বতির্যদি।
আর্থী তুল্যসমানাদ্যাস্তুল্যার্থো যত্র বা বতিঃ।।"

এই শ্লোক ফাঁকিৰ অর্থ হ'ল যে, এই উপমাই (পূর্ণোপমাই) 'যথা', 'ইব' আৰু 'বা' শব্দ আৰু ইৱার্থক ৰতি প্রত্যয়ৰ প্রয়োগত শ্রৌতী হয়, তথা 'তুল্য', 'সমান' আদি পদ অথবা তুল্যাত্মক ৰতি প্রত্যয়ৰ প্রয়োগত আর্থী হয়।

শ্রৌতী পূর্ণোপমাত 'যথা', 'ইব', 'বা' আদি শব্দই শুনা মাত্রকে উপমান আৰু উপমেয়ৰ মাজত থকা সাদৃশ্য যুক্ত সম্বন্ধৰ ভাব বুজায়। সেয়েহে ইয়াক শ্রৌতী পূর্ণোপমা বোলা হয়। যেনে— মুখং চন্দ্রম্ ইব সুন্দৰম (মুখখন চন্দ্রৰ দৰে ধুনীয়া)। এই উদাহৰণটোত উপমেয় হৈছে 'মুখ', উপমান হৈছে 'চন্দ্র' আৰু উপমাবাচক শব্দ হৈছে 'ইব'। 'সুন্দৰম্' পদটোৱে সাধাৰণ ধর্মক বুজাইছে।

আনহাতেদি 'তুল্য', 'সমান' আদি পদ ব্যৱহাৰৰ ফলত বাক্যৰ অর্থ বুজাৰ পিছতহে সাদৃশ্যৰ বিষয়ে জনা যায়। সেই কাৰণে সিহঁতৰ প্রয়োগত আর্থী পূর্ণোপমা হয়। যেনে— কমলেন তুল্যং মুখম্ সুন্দৰম্ (পদুমৰ নিচিনা ধুনীয়া মুখ)।

এই শ্রৌতী আৰু আর্থী পূর্ণোপমা তদ্ধিতগত, বাক্যগত আৰু সমাসগত হ'ব পাৰে। সেয়েহে পূর্ণোপমা মুঠ ছয় প্রকাৰৰ হয়।

লুপ্তা উপমা বা লুপ্তোপমা ঃ "**সাহিত্যদর্পণ**" গ্ৰন্থৰ দশম পৰিচ্ছেদত লুপ্তোপমাৰ লক্ষণ এনেদৰে পোৱা যায়—

লুপ্তা সামান্যধর্মাদেৰেকস্য যদি বা দ্বয়োঃ।
এয়ানাং বানুপাদানে শ্ৰৌত্যার্থী সাপি পূর্ববৎ।।

অর্থাৎ উপমান, উপমেয়, সাধাৰণধর্ম আৰু উপমাবাচক শব্দ —এই চাৰিওটাৰে ভিতৰত যিকোনো এটা, দুটা বা তিনিওটাৰে যদি প্ৰয়োগ নহয়, তাক লুপ্তোপমা বোলা হয়। পূর্ণোপমাৰ দৰে ইও শ্ৰৌতী আৰু আর্থী, এই দুই ভাগত বিভক্ত। এই লুপ্তোপমা পাঁচ প্ৰকাৰৰ। যেনে— বাক্যগতশ্ৰৌতী, সমাসগত শ্ৰৌতী, বাক্যগত আর্থী, সমাসগত আর্থী আৰু তদ্ধিতগত আর্থী।বিশ্বনাথ কবিৰাজে মুঠতে একৈশ (২১) প্ৰকাৰৰ লুপ্তোপমাৰ বিষয়ে উল্লেখ কৰিছে। এই একৈশ প্ৰকাৰৰ লগত ছয় (৬) প্ৰকাৰৰ পূর্ণোপমা মিলি মুঠতে সাতাইশ (২৭) প্ৰকাৰৰ উপমা অলঙ্কাৰ হয়।

শেষত ইয়াকে ক'ব লাগিব যে দুটা বস্তুৰ মাজত থকা সাদৃশ্য প্ৰকাশিত হ'লে উপমা অলঙ্কাৰ হয়। কালিদাসবিৰচিত "ৰঘুবংশম্" মহাকাব্যৰ প্ৰথমসর্গৰ পৰা উপমা অলঙ্কাৰৰ উদাহৰণ স্বৰূপে এটি শ্লোক তলত উল্লেখ কৰা হ'ল—

"মন্দঃ কবিযশঃপ্ৰার্থী গমিষ্যাম্যুপহাস্যতাম্।
প্ৰাংশুলভ্যে ফলে লোভাদুদ্বাহুৰিব বামনঃ।।"

এই উদাহৰণটিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হৈছে মন্দঃ (মূর্খ) কবিযশঃপ্ৰার্থী (কবিৰ খ্যাতি আকাঙ্খা কৰা) গমিষ্যামি (যাম বা হম) উপহাস্যতাম্ (উপহাসৰ যোগ্য) প্ৰাংশুলভ্যে (ওখ মানুহে পোৱা) ফলে (ফলত) লোভাৎ (লোভৰ বশবর্ত্তী হৈ) উদ্বাহুঃ (হাত ওপৰৰ ফালে কৰা) ইব (নিচিনা) বামনঃ (বাওনা)।

এই শ্লোকফাঁকিৰ অসমীয়া অর্থ এনে ধৰণৰ— "মই (কালিদাস) মূর্খ হৈয়ো কবিকুলৰ যশ-খ্যাতি প্ৰার্থনা কৰিছো। গতিকে ওখ মানুহে সহজে লাভ কৰিব পৰা ফল লাভৰ আশাত হাত মেলি দিয়া বাওনা যেনেকৈ হাঁহিয়াতৰ পাত্ৰ হয়, মোৰো অৱস্থা একেই হ'ব।"

উক্ত শ্লোকফাঁকিত উপমা অলঙ্কাৰ হৈছে।ইয়াত উপমান (অন্য বস্তু) হৈছে'বামনঃ' (বাওঁনা) আৰু প্ৰাশুলভ্যং ফলম্ (ওখ মানুহে পাব পৰা ফল)। আনহাতেদি উপমেয় (প্ৰকৃত বস্তু) হৈছে মন্দঃ (মূর্খ) আৰু কবিযশঃ প্ৰার্থী (কবিসকলৰ যশ-খ্যাতি পাবলৈ ইচ্ছা কৰা)। উপমেয় আৰু উপমানৰ তুলনা কৰাৰ বাবেই ইয়াত উপমা অলঙ্কাৰ হৈছে।

এতিয়া উপমা অলঙ্কাৰৰ প্ৰধানভাগসমূহ তলত সম্পূর্ণকৈ উল্লেখ কৰা হ'ল—

উপমা অলঙ্কাৰ ঃ ১। পূর্ণা উপমা বা পূর্ণোপমা।
২। লুপ্তা উপমা বা লুপ্তোপমা।

১। পূর্ণোপমা ঃ ক) শ্ৰৌতী পূর্ণোপমা।
খ) আর্থী পূর্ণোপমা।

ক) **শ্ৰৌতী পূৰ্ণোপমা ঃ** ১। তদ্ধিতগতা শ্ৰৌতী পূৰ্ণোপমা
২। বাক্যগতা শ্ৰৌতী পূৰ্ণোপমা
৩। সমাসগতা শ্ৰৌতী পূৰ্ণোপমা

খ) **আৰ্থী পূৰ্ণোপমা ঃ** ১। তদ্ধিতগতা আৰ্থী পূৰ্ণোপমা
২। বাক্যগতা আৰ্থী পূৰ্ণোপমা
৩। সমাসগতা আৰ্থী পূৰ্ণোপমা

২। লুপ্তোপমা ঃ ক) শ্ৰৌতী লুপ্তোপমা।
খ) আৰ্থী লুপ্তোপমা।

ক) **শ্ৰৌতী লুপ্তোপমা ঃ** ১। বাক্যগতা শ্ৰৌতী লুপ্তোপমা।
২। সমাসগতা শ্ৰৌতী লুপ্তোপমা।

খ) **আৰ্থী লুপ্তোপমা ঃ** ১। বাক্যগতা আৰ্থী লুপ্তোপমা।
২। সমাসগতা আৰ্থী লুপ্তোপমা।
৩। তদ্ধিতগতা আৰ্থী লুপ্তোপমা।



জানি থোৱা ভাল

● **কালিদাস ঃ** কালিদাস সংস্কৃত সাহিত্য জগতত অন্যতম শ্ৰেষ্ঠ মহাকবি। তেওঁ নিজৰ অমৰ সৃষ্টি কৰ্মৰ দ্বাৰা সংস্কৃত সাহিত্যক এক সন্মানজনক প্ৰতিষ্ঠা দি গৈছে। কালিদাসে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য কাব্যকৃতি হৈছে— 'অভিজ্ঞান-শকুন্তলম্', 'বিক্ৰমোৰ্বশীয়ম্' আৰু 'মালবিকাগ্নিমিত্ৰম্' নামৰ তিনিখন নাটক, 'ৰঘুবংশ' আৰু 'কুমাৰসম্ভৱ' নামৰ দুখন মহাকাব্য আৰু 'মেঘদূত' আৰু 'ঋতুসংহাৰ' নামৰ দুখন খণ্ডকাব্য বা গীতিকাব্য।

● **ৰঘুবংশ ঃ** কালিদাস বিৰচিত 'ৰঘুবংশ' এখন মহাকাব্য। সূৰ্য্যবংশৰ উনত্ৰিশ (২৯) জন ৰজাৰ কাহিনী ইয়াত বৰ্ণিত আছে। এই মহাকাব্যৰ সৰ্গ উনৈশটা (১৯)। দিলীপৰ পৰা আৰম্ভ কৰি অগ্নিমিত্ৰলৈকে সূৰ্য্যবংশীয় ৰজাসকলৰ বৰ্ণনা এই মহাকাব্যৰ বিষয়বস্তু।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ উপমা অলঙ্কাৰৰ লক্ষণ লিখক।

.....

প্ৰশ্ন নং ৭ ঃ উপমা অলঙ্কাৰক মুঠতে কেইটা ভাগত ভাগ কৰা হৈছে?

.....

.....

প্ৰশ্ন নং ৮ ঃ 'ৰঘুবংশ'ৰ ৰচক কোন?

.....

.....

প্ৰশ্ন নং ৯ ঃ ৰঘুবংশ এখন .....। (খালী ঠাই পূৰণ কৰক)

.....

৭.৫ ৰূপক অলঙ্কাৰ

"সাহিত্যদর্পণ" গ্ৰন্থৰ দশম পৰিচ্ছেদত বিশ্বনাথ কবিৰাজে ৰূপক অলঙ্কাৰৰ লক্ষণ এনেদৰে দিছে— "ৰূপকং ৰূপিতাৰোপো বিষয়ে নিৰপহ্নবে।" অর্থাৎ শব্দ বা তাৎপর্য্যৰদ্বাৰা গোপন নোহোৱা উপমেয়ত উপমানৰ অভেদ আৰোপ হ'লে ৰূপক অলঙ্কাৰ হয়।

ৰূপক অলঙ্কাৰ প্ৰধানকৈ তিনি প্ৰকাৰৰ—

ক) পৰম্পৰিত ৰূপক

খ) সাঙ্গ ৰূপক আৰু

গ) নিৰঙ্গ ৰূপক

ক) পৰম্পৰিত ৰূপক ঃ য'ত কোনো এটা আৰোপ আন এটা আৰোপৰ কাৰণ হয়, তাকে পৰম্পৰিত ৰূপক বোলে। ই দুই প্ৰকাৰৰ— শ্লিষ্টশব্দনিবন্ধন আৰু অশ্লিষ্টশব্দনিবন্ধন। শিষ্টশব্দ নিবন্ধন পৰম্পৰিত ৰূপক শ্লিষ্ট শব্দৰ (অনেক অর্থ থকা শব্দ) দ্বাৰা উৎপন্ন হয়। আনহাতে অশ্লিষ্টশব্দনিবন্ধ পৰম্পৰিত ৰূপক অশ্লিষ্ট শব্দৰে (এটা অর্থ থকা শব্দ) উৎপন্ন হয়। এই দুই প্ৰকাৰৰ পৰম্পৰিত ৰূপক আকৌ কেৱলৰূপে (অকলশৰে) অথবা মালাৰূপেও (বহুতো আৰোপ একেলগে) হ'ব পাৰে। এনেদৰে পৰম্পৰিত ৰূপক চাৰি প্ৰকাৰৰ হয়।

এতিয়া শ্লিষ্টশব্দ প্ৰয়োগত হোৱা কেৱলৰূপ পৰম্পৰিত ৰূপক অলঙ্কাৰৰ উদাহৰণ দিয়া হৈছে—

"আহৰে জগদুদ্দণ্ডৰাজমণ্ডলৰাহৰে।
শ্ৰীনৃসিংহমহীপাল! স্বস্ত্যস্তু তৱ বাহৰে।"

এই উদাহৰণটিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হৈছে— আহৰে (যুদ্ধক্ষেত্ৰত) জগৎ (জগতৰ) উদণ্ড (উদণ্ড বা দুষ্ট) ৰাজমণ্ডল (ৰজাবিলাকৰ) ৰাহৰে (ৰাহুৰ দৰে) শ্ৰীনৃসিংহ (শ্ৰীনৃসিংহ) মহীপাল (মহাৰাজ বা জগতৰ পালক) স্বস্ত্যস্তু (জয় হওঁক) তৱ (তোমাৰ) বাহৰে (বাহুৰ)।

উক্ত শ্লোকফাঁকিৰ অসমীয়া অনুবাদ এনেধৰণৰ— "হে মহাৰাজ শ্ৰীনৃসিংহ! জগতৰ ভিতৰতে উদণ্ড ৰজাবিলাকৰ যি দল (ৰাজ্যমণ্ডল) আছে, যুদ্ধ ক্ষেত্ৰত সেই ৰাজ্যমণ্ডলৰ প্ৰতি ৰাহুৰ দৰে তোমাৰ বাহুৰ জয় হওঁক।" (ইয়াত শ্লেষৰ দ্বাৰা 'ৰাজমণ্ডল' শব্দই 'চন্দ্রমণ্ডল'কো বুজাইছে।)

এই শ্লোকফাঁকিত 'ৰাজমণ্ডল' অর্থাৎ ৰজাসমূহত যি চন্দ্রবিম্বত্ব (চন্দ্রমণ্ডলৰ দৰে) আৰোপ কৰা হৈছে, সিয়েই ৰজাৰ বাহুত ৰাহুত্ব আৰোপৰ কাৰণ বা হেতু।

খ) সাঙ্গ ৰূপক ঃ এই ৰূপকৰ লক্ষণ এনেধৰণৰ—

"অঙ্গিনো যদি সাঙ্গস্য ৰূপণং সাঙ্গমেব তৎ।
সমস্ত বস্তু বিষয়মেকদেশবিবর্তি চ।।"

এই বাক্যফাঁকিৰ অর্থ হ'ল— "অঙ্গী বা প্রধান উপমানৰ যদি অঙ্গবোৰৰ সৈতে ৰূপণ অর্থাৎ উপমেয়ত আৰোপ কৰা হয়, তেতিয়া তাক 'সাঙ্গ ৰূপক' বোলা হয়। এই ৰূপকো আকৌ দুই প্রকাৰৰ— সমস্তবস্তুবিষয়ক আৰু একদেশবিৱর্ত্তি।

এতিয়া সমস্তবস্তুবিষয়ক ৰূপক তেতিয়াই হয় যেতিয়া অলঙ্কাৰত সকলো আৰোপ্য বস্তু (অর্থাৎ প্রধান উপমান আৰু তাৰ অঙ্গবিলাক) শব্দৰ দ্বাৰা কোৱা হয় বা কথিত হয়। উদাহৰণস্বৰূপে—

"ৰাৱণাৱগ্রহক্লান্তমিতি ৱাগমৃতেন সঃ।
অভিৱৃষ্য মৰুৎশস্যং কৃষ্ণমেঘস্তিৰোদধে।।"

উক্ত পদ্যটিত ব্যৱহাৰ হোৱা প্রতিটো সংস্কৃত শব্দৰ অর্থ হৈছে— ৰাৱণ (ৰাৱণৰ দৰে) অৱগ্রহ (অনাবৃষ্টিত বা বৰষুণ নোহোৱা) ক্লান্তমিতি (শুকাই যোৱা) বাগ্ (বচনৰ দৰে) অমৃতেন (অমৃতেৰে) অভিৱৃষ্য (বর্ষণ কৰি) মৰুৎ (দেৱতাৰ দৰে) শস্যং (শস্যবিলাকক) কৃষ্ণ (ক'লা) মেঘঃ (মেঘ) তিৰোদধে (নাইকিয়া হ'ল)।

এই শ্লোকফাঁকিৰ অসমীয়া অনুবাদ এনেধৰণৰ— "ৰাৱণৰ দৰে অনাবৃষ্টিত (অৱগ্রহত) শুকাই যোৱা দেৱতাৰ দৰে (মৰুৎ) শস্যবিলাকক এইদৰে বচনৰ দৰে অমৃতেৰে বর্ষিত কৰি কৃষ্ণৰ দৰে মেঘ নাইকিয়া হ'ল।" ইয়াত প্রধান বা অঙ্গী উপমান হৈছে কৃষ্ণ। তাত মেঘত্ব আৰোপ কৰা কাৰণে বাক্ (বচন) আদি অঙ্গত অমৃতত্ব আৰোপ কৰা হৈছে। সেয়েহে এই শ্লোকফাঁকি সমস্তবিষয়কসাঙ্গ ৰূপকৰ উৎকৃষ্ট উদাহৰণ।

আনহাতেদি য'ত (যি অলঙ্কাৰত) কোনো আৰোপ্যবাচক উপমান ব্যঙ্গ্য হৈ থাকে তাকে "একদেশৱিৱর্ত্তি ৰূপক" বোলা হয়। উদাহৰণস্বৰূপে—

"লাৱন্যমধুভিঃ পূর্ণমাস্যমস্যা ৱিকস্বৰম্।
লোকলোচনৰোলম্বকদম্বৈঃ কৈ র্ন পীয়তে।।"

এই শ্লোকটিত ব্যৱহাৰ হোৱা সংস্কৃত শব্দবোৰৰ অর্থ হৈছে— লাবণ্যমধুভিঃ (লাবণ্যৰূপী মৌৰে) পূর্ণম্ (পৰিপূর্ণ) আস্যম্ (মুখ) অস্যাঃ (এই জনীৰ, নায়িকাৰ) বিকস্বৰম্ (প্রকাশিত) লোক (মানুহৰ) - লোচন (চকু) - ৰোলম্ব (ভ্রমৰ)-কদম্বৈ (সমূহৰ দ্বাৰা) কৈঃ (কাৰ দ্বাৰা) ন (নহয়) পীয়তে (পান কৰা)।

এই শ্লোকফাকিৰ অসমীয়া অর্থ হৈছে— "লাৱণ্যৰ দৰে মৌৰে (মধু) পৰিপূর্ণ এওঁৰ বিকশিত মুখখন কাৰনো চকুৰ দৰে ভোমোৱাই পান নকৰাকৈ (চাই উপভোগ নকৰাকৈ) থাকে?" ইয়াত লাৱণ্য আদিত মধুত্ব আদিৰ আৰোপ শব্দৰ দ্বাৰা কোৱা হৈছে। কিন্তু

মুখত যে পদ্মত্বৰ আৰোপ হৈছে সেইটো ব্যঙ্গ্য অর্থাৎ বুদ্ধিৰে গ্রহনীয়। সেয়েহে একদেশৰিৱর্ত্তি ৰূপক অলঙ্কাৰ ইয়াত হৈছে।

গ) **নিৰঙ্গৰূপক ঃ** বিশ্বনাত কবিৰাজে "**সাহিত্যদর্পণ**"ৰ দশম পৰিচ্ছেদতে নিৰঙ্গ ৰূপকৰ লক্ষণ এনেদৰে দিছে—

"নিৰংগং কেবলস্যৈব ৰূপণং তদপি দ্বিধা।
মালাকেবলৰূপত্বাৎ"।।

অর্থাৎ নিৰঙ্গ ৰূপকত কেৱল মাত্র অঙ্গী (প্রধান) উপমানৰ ৰূপণ বা আৰোপ হয়। ই দুই প্রকাৰৰ। যেনে— মালাৰূপ আৰু কেৱলৰূপ নিৰঙ্গ ৰূপক। এই ৰূপকৰ উদাহৰণ হিচাপে তলৰ শ্লোকফাঁকি উল্লেখ কৰা যায়।

নির্ম্মাণকৌশলং ধাতুশ্চন্দ্রিকা লোকচক্ষুষাম্।
ক্রীড়াগৃহমনঙ্গস্য সেয়মিন্দীবৰেক্ষণা।।

এই শ্লোকত ব্যৱহাৰ হোৱা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হ'ল— নির্ম্মাণকৌশলং (নির্ম্মাণৰ কৌশল), ধাতুঃ (ঈশ্বৰৰ), চন্দ্রিকা (জোনৰ পোহৰ), লোক চক্ষুষাম্ (মানুহৰ চকুৰ), ক্রীড়াগৃহম্ (খেলৰ ঘৰ), অনঙ্গস্য (কামদেৱৰ), সা (সেইজনী) ইয়ম্ (এইজনী) ইন্দীবৰ (নীলাপদুম) - ঈক্ষণা (চকুযুক্ত)। এই শ্লোকটোৰ সম্পূর্ণ অর্থ হ'ল— "সেয়া এইজনী নীলাপদুমৰ দৰে চকুযুক্ত (নাৰী) ঈশ্বৰৰ সৃষ্টিনৈপুণ্য, মানুহৰ চকুত জোনাকস্বৰূপ, কামদেবৰ বিহাৰগৃহৰূপিনী"। ইয়াত 'ইন্দীবৰেক্ষণা' শব্দটো হ'ল নিৰঙ্গ অর্থাৎ বেলেগ অঙ্গ নথকা উপমেয়। এই উপমেয়ত নির্ম্মাণ কৌশল, 'চন্দ্রিকা' আৰু 'ক্রীড়াগৃহম্' এই নিৰঙ্গ উপমানবোৰক আৰোপ কৰা হৈছে। গতিকে ইয়াত নিৰঙ্গৰূপকৰ অৱস্থিতি হৈছে। তদুপৰি উপমানৰ সংখ্যা একাধিক (অর্থাৎ তিনি) হোৱা কাৰণে ইয়াত মালাৰূপ নিৰঙ্গ ৰূপক হৈছে।

উক্ত আলোচনাৰ পৰা ক'ব পাৰি যে উপমেয়ত (প্রকৃত বস্তু) উপমান (অন্য বস্তু) ভেদহীনভাৱে (অভেদ) আৰোপ হ'লে তাকে ৰূপক অলঙ্কাৰ বোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ৰূপক অলঙ্কাৰৰ লক্ষণ লিখক।

.....

প্রশ্ন নং ১১ ঃ ৰূপক অলঙ্কাৰক কেই ভাগত ভাগ কৰা হৈছে?

.....

.....

প্রশ্ন নং ১২ ঃ পৰম্পৰিত ৰূপক কেই প্রকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন নং ১৩ ঃ সাঙ্গ ৰূপকৰ ভাগ কেইটা লিখক।

.....

প্ৰশ্ন নং ১৪ ঃ নিৰঙ্গ ৰূপকৰ প্ৰকাৰ কেইটা উল্লেখ কৰক।

.....

৭.৬ অনন্বয় অলঙ্কাৰ

"**সাহিত্যদর্পণ**" গ্ৰন্থৰ দশম পৰিচ্ছেদত ৰচক বিশ্বনাথ কবিৰাজে অনন্বয় অলঙ্কাৰৰ লক্ষণ এনেদৰে দিছে—

"উপমানোপমেয়ত্বমেকস্যৈব ত্বনন্বয়ঃ।"

অৰ্থাৎ, "একোটা বস্তুৰেই য'ত উপমানো (অন্য বস্তু বা অপ্ৰকৃত) হয় আৰু উপমেয়ও (প্ৰকৃত বস্তু) হয়, তেতিয়া তাক অনন্বয় অলঙ্কাৰ বোলে।" একেটা বাক্যতে যেতিয়া অধিক গুৰুত্ব বুজাবলৈ একেটা বস্তুকে উপমান আৰু উপমেয় ৰূপে উল্লেখ কৰা হয়, তেতিয়াই তাত অনন্বয় অলঙ্কাৰ হয়। উদাহৰণস্বৰূপে—

"ৰাজীৱমিৱ ৰাজীৱং জলং জলমিৱাজনি।
চন্দ্রশ্চন্দ্র ইৱাতন্দ্রঃ শৰৎসমুদয়োদ্যমে।।"

এই শ্লোক ফাঁকিৰ সংস্কৃত শব্দবোৰৰ অসমীয়া অৰ্থ হৈছে— ৰাজীৱম্ (পদুমফুল) ইৱ (দৰে) ৰাজীৱং (পদুমফুল) জলং (পানী) জলমিৱাজনি (পানীৰ দৰে) চন্দ্রঃ (চন্দ্র বা জোনবাই) চন্দ্র ইৱ (চন্দ্রৰ দৰে) অতন্দ্রঃ (উজ্জ্বল) শৰৎসমুদয় (শৰৎ কালৰ আৰম্ভণিৰ) উদ্যমে (উল্লাসত)।

উক্ত শ্লোকটিৰ অসমীয়া অনুবাদ এনেধৰণৰ— "শৰৎ কালৰ উল্লাস আৰম্ভ হোৱাৰ লগে লগে পদুম পদুমৰ দৰে, পানী পানীৰ দৰে আৰু চন্দ্র চন্দ্রৰ দৰেই উজ্জ্বল হ'ল।" ইয়াত পদুমফুল (ৰাজীৱ), পানী (জল) আৰু চন্দ্র (জোনবাই) যে অতুলনীয় বা অনন্যসাধাৰণ, তাকে বুজাবৰ বাবে সিহঁতক উপমান আৰু উপমেয় —এই দুই ধৰণেৰে কোৱা হৈছে। অৰ্থাৎ পদুমফুলক পদুমৰ লগত, পানীক পানীৰ লগত আৰু চন্দ্রক চন্দ্রৰ লগতে তুলনা কৰা হৈছে। সেয়েহে উক্ত শ্লোকফাঁকিত অনন্বয় অলঙ্কাৰ হৈছে। শেষত আমি ক'ব পাৰো যে বৰ্ণনীয় পদাৰ্থৰ সদৃশ আৰু একো নাই —এই কথা বুজাবলৈকে অনন্বয় অলঙ্কাৰ ব্যৱহাৰ হয়।

৭.৭ অপহ্নুতি অলঙ্কাৰ

বিশ্বনাথ কবিৰাজে 'সাহিত্যদর্পণ' গ্ৰন্থৰ দশম পৰিচ্ছেদত অপহ্নুতি অলঙ্কাৰৰ লক্ষণ নিম্নোক্তধৰণে দিছে—

"প্রকৃতং প্রতিষিধ্যান্যস্থাপনং স্যাদপহ্নুতিঃ।"

উক্ত সংস্কৃত বাক্যফাঁকিৰ প্ৰতিটো শব্দৰ অসমীয়া অৰ্থ এনেধৰণৰ— প্রকৃতং (প্রকৃত বস্তুক) প্রতিষিধ্য (নিষেধ কৰি) অন্য (বেলেগ) স্থাপনং (স্থাপন কৰিলে) স্যাদ্ (হয়) অপহ্নুতিঃ

(অপহ্নুতি অলঙ্কাৰ)।

অর্থাৎ উপমেয়ক (প্রকৃত বস্তুক) নিষেধ কৰি উপমানক (অপ্রকৃত বস্তুক) স্থাপন কৰিলে তাত অপহ্নুতি অলঙ্কাৰ হয়। প্রকৃত বা বর্ণনীয় উপমেয়ৰ প্রকৃত স্বৰূপ অস্বীকাৰ কৰি উপমানৰ স্বৰূপ স্থাপন কৰিলে সেই বাক্যত অপহ্নুতি অলঙ্কাৰ হয়।

এই অলঙ্কাৰ দুই প্রকাৰৰ। প্রথমে, কেতিয়াবা নিষেধ কৰি (অপহ্নৱ) আৰোপ কৰা হয় আৰু দ্বিতীয়তে, কেতিয়াবা আৰোপ কৰি নিষেধ কৰা হয়।

এতিয়া প্রথম বিধৰ অর্থাৎ উপমেয়ক নিষেধ কৰি উপমানক আৰোপ কৰাৰ উদাহৰণ এটা চোৱা যাওঁক।

"নেদং নভোমণ্ডলমম্বুৰাশি র্নৈতাশ্চ তাৰা নৱফেনভঙ্গাঃ।
নায়ং শশী কুণ্ডলিতো ফণীন্দ্রো নাসৌ কলঙ্কঃ শয়িতো মুৰাৰিঃ।।"

উক্ত শ্লোক ফাঁকিৰ প্রতি শব্দৰ অর্থ এনেধৰণৰ হ'ব— নেদং (এয়া নহয়), নভোমণ্ডলম্ (আকাশ), অম্বুৰাশি (সাগৰহে), নৈতাশ্চ বা ন এতাঃ চ (এয়া নহয়) তাৰা (তৰা) নৱফেন ভঙ্গাঃ (সাগৰৰ ফেনহে) নায়ং (এয়া নহয়) শশী (চন্দ্র) কুণ্ডলিতং (পাক লৈ থকা) ফণীন্দ্রো (সর্পৰাজ শেষনাগ) নাসৌ (এয়া নহয়) কলঙ্কঃ (কলঙ্ক বা দাগ) শয়িতো (শুই থকা) মুৰাৰি (বিষ্ণু)।

উক্ত শ্লোকটিৰ অসমীয়া অর্থ হৈছে— "এয়া আকাশ নহয় সাগৰহে, এইবিলাক তৰা নহয় সাগৰৰ ফেনহে, এইটো চন্দ্র নহয় পাক লৈ থকা সর্পৰাজ শেষনাগহে, আৰু এয়া কলঙ্ক নহয় শেষ নাগত শুই থকা বিষ্ণুহে।" এই শ্লোকটিত 'আকাশ' আদিক নিষেধ কৰি 'সাগৰ' আদিক আৰোপ কৰা হৈছে। সেয়েহে ইয়াত অপহ্নুতি অলঙ্কাৰ হৈছে।

এই অপহ্নুতি অলঙ্কাৰৰ আৰু এটি লক্ষণ আছে। সেইটো এনেধৰণৰ—

"গোপনীয়ং কমপ্যর্থং দ্যোতয়িত্বা কথঞ্চন।
যদি শ্লেষেণান্যথা বান্যথয়েৎ সাহপ্যপহ্নুতিঃ।।"

অর্থাৎ, "গোপনীয় কোনো এটা কথা বা বিষয় কিবা স্বৰূপে প্রকাশ কৰি আকৌ যদি সেইটো কথা বা বিষয়কে শ্লেষ বা অন্য উপায়েৰে আন ধৰণে (বেলেগ অর্থৰে) সংযোজিত কৰা হয় তেনেহলেও কাব্যত অপহ্নুতি অলঙ্কাৰ হয়।"

উদাহৰণস্বৰূপে, শ্লেষৰ দ্বাৰা সংযোজিত অপহ্নুতি অংলকাৰৰ এটি শ্লোক তলত উল্লেখ কৰা হ'ল—

"কালে ৰাৰিধৰাণামপতিতয়া ন শক্যতে স্থাতুম্ ।
উৎকণ্ঠিতাসি তৰলে! নহি নহি সখি! পিচ্ছিলঃ পন্থাঃ।।"

এই শ্লোকটিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হৈছে— কালে (কালত বা (সময়ত) ৰাৰিধৰানাম্ (বাৰিষা বা বৰষুণৰ দিনত) অপতিতয়া (পতি নোহোৱাকৈ) ন শক্যতে (নোৱাৰে) স্থাতুম্ (থাকিব) উৎকণ্ঠিতাসি (উৎকণ্ঠিতা হৈছানে) তৰলে (তৰলা বা চঞ্চলা) নহি নহি (নহয়, নহয়) সখি (সখী) পিচ্ছিলঃ (পিছল) পন্থাঃ (বাট)।

উক্ত শ্লোকটিৰ অসমীয়া অনুবাদ হ'ল— বৰ্ষাকালত পতি নোহোৱাকৈ (অপতিতয়া) থাকিব নোৱাৰি। 'হেৰা তৰলা, তুমি ইমানেই উৎকণ্ঠিতা হৈছেনে?' 'নহয়, নহয় সখি বাটটো পিছল!' বাৰিষাৰ কাৰণে বাট পিছল; সেই কাৰণে 'অপতিতয়া' অৰ্থাৎ নপৰাকৈ থাকিব নোৱাৰি।"

এই শ্লোকফাঁকিত প্ৰথমে 'অপতিতয়া' পদত 'পতি নোহোৱাকৈ' বুলি কৈ পাছত 'পতন নোহোৱাকৈ' (পিছল নোখোৱাকৈ) বুলি কৈ আগৰ কথাটো ঘূৰাই পেলোৱা হৈছে। সেয়েহে এই শ্লোকটিত শ্লেষৰ দ্বাৰা সংযোজিত অপহ্নুতি অলঙ্কাৰ হৈছে।

আনহাতেদি শ্লেষ সংযোজিত নোহোৱাকৈ আন এটা অপহ্নুতি অলঙ্কাৰৰ উদাহৰণ এনেধৰণৰ—

"ইহ পুৰোহনিলকম্পিতৰিগ্রহা
মিলতি কা ন ৱনস্পতিনা লতা।
স্মৰসি কিং সখি! কান্তৰতোৎসৱং
নহি ঘনাগমৰীতিৰুদাহৃতা।।"

এই শ্লোকটিত থকা প্ৰতিটো সংস্কৃত শ্বদৰ অসমীয়া অৰ্থ হ'ল— ইহ (ইয়াত), পুৰঃ (সন্মুখত)-অনিল (বতাহ)-কম্পিত (কপি থকা)-বিগ্রহা (শৰীৰ) মিলতি (মিলিত হয়) কা (কোনজনী) ন (নহয়) বনস্পতিনা (গছৰ সৈতে) লতা (লতা) স্মৰসি (মনত পেলাইছা) কিং (কি) সখি (হে সখী) কান্ত (প্রিয়) ৰতোৎসবম্ (শৃঙ্গাৰ আনন্দ) ন (নহয়) হি (হে) ঘনাগম - (বাৰিষাৰ আগমন)- ৰীতিঃ (অৱস্থা) উদাহৃতা (কোৱা হ'ল)।

উক্ত শ্লোক ফাঁকিৰ অসমীয়া অৰ্থ এনেদৰে হ'ব— এই বৰ্ষাকালত আমাৰ সন্মুখতে বতাহৰ দ্বাৰা শৰীৰ কম্পিত হোৱা কোন লতা বনস্পতিৰ সৈতে মিলিত হোৱা নাই? 'তেনেহ'লে সখি! তোমাৰ নিজৰ প্ৰিয়াৰ সৈতে কৰা ৰতি আনন্দৰ কথা সুঁৱৰিছানেকি?" নহয়, বৰ্ষা কালৰ ৰীতিৰ কথাহে কৈছো। ইয়াত গোপন কৰোঁতাই গোপনীয় কথাটোও আগতে কৈ দিয়া বাবে অপহ্নুতি অলঙ্কাৰ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ ঃ অনন্বয় অলঙ্কাৰৰ লক্ষণ কি?

.....

প্রশ্ন নং ১৬ ঃ অনন্বয় অলঙ্কাৰৰ এটি উদাহৰণ দাঙি ধৰক।

.....

.....

প্রশ্ন নং ১৭ ঃ অপহ্নুতি অলঙ্কাৰ কাক বোলা হয়।

.....

.....

প্ৰশ্ন নং ১৮ ঃ অপহ্নুতি অলঙ্কাৰৰ এটি উদাহৰণ উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ১৯ ঃ অপহ্নুতি অলঙ্কাৰ কেই প্ৰকাৰৰ?

.....

.....

৭.৮ নিদর্শনা অলঙ্কাৰ

বিশ্বনাথ কবিৰাজ বিৰচিত 'সাহিত্যদর্পণ' নামৰ গ্ৰন্থত নিদর্শনা অলঙ্কাৰৰ লক্ষণ এনেদৰে পোৱা যায়—

"সম্ভবন্ বস্তুসম্বন্ধোহসম্ভবন্ বাপি কুত্রচিৎ।
যত্র বিম্বানুবিম্বত্বং বোধয়েৎ সা নিদর্শনা।।"

অর্থাৎ য'ত পদার্থৰ ***অন্বয়*** সম্বন্ধ কোনো ঠাইত ***উপপন্ন*** আৰু কোনো ঠাইত ***অনুপপন্ন*** হয়; কিন্তু (উপমান-উপমেয়ৰ দৰে) অর্থৰ ***বিম্ব-প্ৰতিবিম্বভাৱ*** দেখা যায়, তাকে নিদর্শনা অলঙ্কাৰ বোলা হয়।"

এতিয়া কোনো পদার্থৰ সম্বন্ধ কেতিয়াবা বাধাযুক্ত হৈ বা কেতিয়াবা বাধাহীনভাৱে বর্ণনা কৰা হয়। এই বর্ণনাত যদি পদার্থ দুটিৰ সাদৃশ্য তাৎপর্য্যৰ দ্বাৰা প্ৰকাশ কৰা হয়, তেতিয়া তাত নিদর্শনা অলঙ্কাৰ হয়। এই অলঙ্কাৰত বাক্যবোৰৰ অর্থৰ পৰস্পৰৰ সাদৃশ্যভাৱ নহ'লে, সেই বাক্যৰ অর্থ বুজিব পৰা নাযায়— বাধাপ্ৰাপ্ত হয়। মুঠতে, পদার্থৰ পৰস্পৰ সম্বন্ধ কোনো ঠাইত সম্ভৱ অথবা কোনো ঠাইত অসম্ভৱ হৈ বিম্বপ্ৰতিবিম্ব ভাৱৰ বোধ (বুজা) হ'লে তাত নিদর্শনা অলঙ্কাৰ হয়। এই নিদর্শনা অলঙ্কাৰ দুই প্ৰকাৰৰ— সম্ভৱবস্তুসম্বন্ধ নিদর্শনা আৰু অসম্ভৱবস্তুসম্বন্ধ নিদর্শনা।

ইয়াৰে প্ৰথমবিধৰ অর্থাৎ সম্ভৱবস্তুসম্বন্ধ নিদর্শনাৰ এটি উদাহৰণ হৈছে—

"কোহত্র ভূমিৱলয়ে জনান্ মুধা তাপয়ন্ সুচিৰমেতি সম্পদম্।
ৱেদয়ন্নিতি দিনেন ভানুমান্ আসসাদ চৰমাচলং ততঃ।।"

এই শ্লোকফাঁকিৰ প্ৰতিটা সংস্কৃত শব্দৰ অসমীয়া অর্থ এনেধৰণৰ হয়— কঃ (কোন) অত্র (এই) ভূমিৱলয়ে (পৃথিৱীত) জনান্ (জনতাক) মুধা (মিছাতে) তাপয়ন্ (কষ্ট দি) সুচিৰমেতি (চিৰকাল লাভ কৰে) সম্পদম্ (সুখ সম্পদ) ৱেদয়ন্ (নিবেদন কৰি) ইতি (এইবুলি) ভানুমান্ (সূর্য্যই) আসসাদ (আশ্ৰয় ললে) চৰমাচলং (অস্তাচলত বা পশ্চিম দিশত) ততঃ (তাৰ পিছত)

উক্ত শ্লোকটিৰ অসমীয়া অনুবাদ এনেধৰণৰ— "এই পৃথিৱীত জনতাক মিছাতে কষ্ট দি কোনে চিৰকাল সুখ-সম্পদ ভোগ কৰি থাকিব পাৰে— ইয়াকে নিবেদন কৰিয়েই যেন সূর্য্যই দিনৰ শেষত অস্তাচলত আশ্ৰয় লৈছে।" এই শ্লোকটিত এনে আবেদন বা অনুৰোধৰ বক্তা ৰূপে সূর্য্যৰ সৈতে আবেদন ক্ৰিয়াৰ (কাম) অন্বয় সম্বন্ধ সম্ভৱপৰ হোৱা দেখা যায়। যিহেতুকে সূর্য্যৰ



উপমান ঃ অন্য বস্তু, যাৰ লগত তুলনা দিয়া হয়।
অন্বয় ঃ শব্দৰ যুক্তিসংগত বা ব্যাকৰণগত সম্বন্ধ।
উপপন্ন ঃ সম্ভৱ।
অনুপপন্ন ঃ অসম্ভৱ।
বিম্ব প্ৰতিবিম্বভাৱ ঃ সাদৃশ্য।

অস্তাচল গমনৰ (পশ্চিম দিশলৈ যাত্রা) দ্বাৰা এনে অর্থজ্ঞাপনৰ সামর্থ্য জন্মিছে। আৰু সিয়েই সূর্য্যৰ অস্তাচলগমন আৰু আনক দুখ দিয়াৰ বিপদ (পৰপীড়াকৰ) —এই দুটাৰ ভিতৰত বিম্ব প্রতিবিম্বভাৱৰ বোধ জন্মাইছে।

অসম্ভৱবস্তুসম্বন্ধ-নিদর্শনা দুই প্রকাৰে হয়। কেতিয়াবা ই একেটা বাক্যতে থাকে, আকৌ কেতিয়াবা বহুতো বাক্যত থাকে। অর্থাৎ এক বাক্যগত আৰু অনেক বাক্যগত।

প্রথমে, একেটা বাক্যত থকা (এক বাক্যগত) অসম্ভৱবস্তুসম্বন্ধ নিদর্শনা অলঙ্কাৰৰ উদাহৰণ দিয়া হৈছে—

"কলয়তি কুৱলয়মালাললিতং কুটিলঃ কটাক্ষৱিক্ষেপঃ।
অধৰঃ কিসলয়লীলামাননমস্যাঃ কলানিধের্ৱিলাসম্।।"

এই শ্লোকটোত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হ'ল— কলয়তি (ধাৰণ কৰে) কুবলয়মালা (নীলাপদুমশ্রেণী) - ললিতম্ (সৌন্দর্য) কুটিলঃ (বেকা) কটাক্ষবিক্ষেপঃ (চকুৰ কোণাৰে দিয়া দৃষ্টি চোৱা) অধৰঃ (ওঠ) কিসলয় (কুহিঁপাত) - লীলাং (কার্য) আননম্ (মুখ) অস্যাঃ (এইজনীৰ) কলানিধেঃ (চন্দ্রৰ) বিলাসম্ (শোভা)।

উক্ত শ্লোকটিৰ অসমীয়া অনুবাদ হৈছে— "এই সুন্দৰীৰ কুটিল কটাক্ষ নীলোৎপলৰ মালাৰ বিলাস,অধৰে নতুন কুঁহিপাতৰ সৌন্দর্য্য প্রকাশ কৰে, মুখ চন্দ্রৰ বিলাস।" এই পদ্যফাঁকিত অসম্ভৱবস্তুসম্বন্ধ সুস্পষ্ট। বেলেগ বস্তুৰ ধর্ম বেলেগ এটা বস্তুৰে কেতিয়াও বহন কৰিব নোৱাৰে। এটা বস্তুৰ ধর্ম আন বস্তুত থকা সম্ভৱ নহয়। সেইবাবেই পদ্যফাঁকিত বর্ণনা কৰা কটাক্ষ বিক্ষেপ আদিৰ লগত নীলোৎপলৰ (পদুম ফুলৰ) মালাৰ লালিত্যৰ সম্বন্ধও সম্ভৱ নহয়। সেই বাবেই নীলোৎপল মালাৰ লালিত্যৰ নিচিনা কটাক্ষৰ লালিত্য এনে ভাৱহে শেষত পাঠকৰ ওপজে। সেই ভাৱ বা বোধৰ পৰা কটাক্ষ বিক্ষেপ আদিৰ সৈতে নীলোৎপলৰ মালাৰ বিম্ব প্রতিবিম্বভাৱৰ (সাদৃশ্যভাৱৰ) ধাৰণা জন্মে। দ্বিতীয়তে, কেইবাটাও বাক্যত (অনেক বাক্যগত) থকা অসম্ভৱবস্তুসম্বন্ধ নিদর্শনাৰ এটি উদাহৰণ হৈছে—



শমী ঃ যজ্ঞৰ অগ্নি প্রজ্বলিত কৰাৰ বাবে ব্যৱহাৰ হোৱা এবিধ অতি টান গছ।

"ইদং কিলাব্যাজমনোহৱং ৱপুস্তপঃক্ষমং সাধয়িতুং য ইচ্ছতি।
ধ্রুৱং স নীলোৎপলপত্রধাৰয়া শমীলতাং ছেত্তুমৃষির্ব্যবস্যতি।।"

এই শ্লোকটিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হ'ল— ইদং (এইটো) কিল (হয়) অব্যাজ (অকৃত্রিম) - মনোহৱং (ধুনীয়া) বপুঃ (শৰীৰ) তপঃ (তপস্যাৰ) - ক্ষমং (যোগ্য) সাধয়িতুং (কৰিবলৈ) যঃ (যিজন) ইচ্ছতি (ইচ্ছা কৰিছে) ধ্রুৱং (নিশ্চিতভাৱে) সঃ (সেইজন) নীলোৎপল (নীলাপদুমৰ) - পত্র (পাতৰ) - ধাৰয়া (ধাৰেৰে) শমীলতাং (***শমী*** নামৰ গছৰ লতাক) ছেত্তুম্ (কাটিবলৈ) ঋষিঃ (ঋষিজনে) ব্যৱস্যতি (প্রয়াস কৰিছে)। এই পদ্যফাঁকিৰ অর্থ হ'ল যে— কোনো কৃত্রিমতা নোহোৱাকৈয়ে মনোহৰ হৈ পৰা এই শৰীৰক যি ঋষিয়ে তপস্যাৰ যোগ্য কৰিব খুজিছে, তেওঁ নিশ্চয় নীলোৎপলৰ (পদুম ফুলৰ) পাহিৰ ধাৰেৰে শমীগছৰ লতা কাটিব খুজিছে।

উক্ত শ্লোকটিত নিদর্শনা অলঙ্কাৰ হৈছে কাৰণ কোমল পদুমফুলৰ পাহিৰ ধাৰেৰে কঠিন সমিধ গছ কটা যেনেদৰে অসম্ভৱ, ঠিক তেনেদৰে সুকোমল শৰীৰেৰে কঠিন কাম কৰা অসম্ভৱ

—এইদৰে বিম্বানুবিম্বভাৱৰ বোধ হয়। ইয়াত আকৌ অনেক বাক্যগত নিদর্শনা হৈছে। কাৰণ, এই শ্লোকটিত যি 'ঋষি', সঃ (তেওঁ) —এই শব্দ দুটাত পৰস্পৰৰ সম্বন্ধ বর্ণিত হৈছে। সেই বাবেই 'যি' শব্দৰ সৈতে যুক্ত বাক্যার্থৰ লগত 'তেওঁ' শব্দৰ সৈতে যুক্ত বাক্যার্থৰ অভেদৰূপে অন্বয় (সম্বন্ধ) হ'ব লাগে। কিন্তু তেনেকুৱা অন্বয় সম্ভৱ হোৱা নাই। গতিকে শেষত আমি বুজো যে— এনে শৰীৰেৰে তপস্যাৰ কষ্ট সাধন কৰোৱাৰ ইচ্ছা, নীলোৎপলৰ পাহিৰ ধাৰেৰে শমী গছ কটাৰ ইচ্ছাৰ নিচিনা। সেই বাবেই এই শ্লোকটিত অনেকবাক্যগতনিদর্শনা অলঙ্কাৰ হৈছে। আন এটা অনেকবাক্যগত নিদর্শনাৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

"ৰূ সূর্য্যপ্রভৱো বংশঃ ৰূ চাল্পবিষয়া মতিঃ।
তিতীর্ষুর্দুস্তৰং মোহাদুডুপেনাস্মি সাগৰম্।।"

এই পদ্যটিৰ প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ এনেধৰণৰ— ৰূ (ক'ত) সূর্য্য প্রভৱো (সূর্য্যৰ পৰা উদ্ভৱ বা জন্ম হোৱা) বংশঃ (বংশ) চ (আৰু) অল্প (অলপ বা ক্ষুদ্র) - বিষয়া মতিঃ (বুদ্ধি) তিতীর্ষু (পাৰ হ'ব খোজা) দুস্তৰং (দুর্লঙ্ঘ্য) মোহাৎ (মূর্খতাৰ বাবে) উডুপেন (ভূৰেৰে) সাগৰম্ (সাগৰক)। অর্থাৎ সূর্য্যৰ পৰা উদ্ভৱ হোৱা বংশ ক'ত আৰু ক'ত মোৰ ক্ষুদ্র বুদ্ধি; মূঢ়তাৰ (মূর্খতাৰ) বাবে মই ভুৰেৰে সাগৰ পাৰ হ'ব খুজিছো। এই শ্লোকটিত শেষত এই তাৎপর্য্য বুজা যায় যে— মোৰ বুদ্ধিৰে সূর্য্যবংশৰ বর্ণনা কৰাটো ভূৰেৰে সাগৰ পাৰ হোৱাৰ নিচিনা। এই অন্বয় অসম্ভৱ বাবে ইয়াত অনেক বাক্যগত অসম্ভৱবস্তুসম্বন্ধ নিদর্শনা অলঙ্কাৰ হৈছে।

৭.৯ অর্থান্তৰন্যাস অলঙ্কাৰ

বিশ্বনাথ কবিৰাজৰ দ্বাৰা ৰচিত "**সাহিত্যদর্পণ**" নামৰ গ্রন্থৰ দশম পৰিচ্ছেদত অর্থান্তৰন্যাস অলঙ্কাৰৰ লক্ষণ এনেদৰে পোৱা যায়—

"সামান্যং বা বিশেষেণ বিশেষ স্তেন বা যদি।
কার্য্যঞ্চ কাৰণেনেদং কার্য্যেণ বা সমর্থ্যতে।
সাধর্ম্যেণেতৰেনার্থান্তৰন্যাসোহষ্টধা ততঃ।।"



সাধর্ম্য ঃ একে স্বভাৱ বা চৰিত্রৰ।
বৈধর্ম্য ঃ বেলেগ স্বভাৱ বা চৰিত্রৰ।

অর্থাৎ, ***সাধর্ম্য*** নাইবা ***বৈধর্ম্য***ৰ বর্ণনাৰে সাধাৰণৰদ্বাৰা বিশেষৰ, বিশেষৰদ্বাৰা সাধাৰণৰ, কার্য্যৰদ্বাৰা কাৰণৰ; কাৰণৰদ্বাৰা কার্য্যৰ, সমর্থনত অর্থান্তৰন্যাস অলঙ্কাৰ আঠ প্রকাৰৰ হয়। এই অলঙ্কাৰ সাধর্ম্য অনুসৰি চাৰি প্রকাৰৰ হয়। যেনে—

ক) সাধাৰণৰ দ্বাৰা বিশেষৰ সমর্থন।
খ) বিশেষৰ দ্বাৰা সাধাৰণৰ সমর্থন।
গ) কার্য্যৰ দ্বাৰা কাৰণৰ সমর্থন।
ঘ) কাৰণৰ দ্বাৰা কার্য্যৰ সমর্থন।

সেইদৰে বৈধর্ম্য অনুসৰিও উক্ত ধৰণেৰে এই অলঙ্কাৰ চাৰি প্রকাৰৰ হয়। গতিকে অর্থান্তৰন্যাস অলঙ্কাৰ সর্বমুঠ আঠপ্রকাৰৰ। এতিয়া তলত সাধর্ম্যত অর্থান্তৰন্যাস অলঙ্কাৰৰ উদাহৰণ উল্লেখ কৰা হ'ল। প্রথমেই বিশেষৰ দ্বাৰা সামান্যৰ বা সাধাৰণৰ সমর্থনত এটি উদাহৰণ দিয়া

হৈছে—

"বৃহৎসহায়ঃ কার্য্যান্তং ক্ষোদীয়ানপি গচ্ছতি।
সম্ভূয়াম্ভোধিমভ্যেতি মহানদ্যা নগাপগা।।"

এই শ্লোকটিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হ'ল— বৃহৎসহায়ঃ (ডাঙৰৰ সাহায্যযুক্ত) কার্য্যান্তং (কার্য্যৰ সমাপ্তিলৈ) ক্ষোদীয়ান্ (ক্ষুদ্রসকল) অপি (ও) গচ্ছতি (যায়) সম্ভূয় (মিলি গৈ) অম্বোধিম্ (সাগৰলৈ) অভ্যেতি (যায়) মহানদ্যা (ডাঙৰ নৈৰ দ্বাৰা) নগাপগা (পার্ব্বত্য নদী)। উক্ত শ্লোকফাঁকিৰ অসমীয়া অর্থ হৈছে যে, ডাঙৰৰ সহায়ত সৰুৱেও কার্য্যসাধন কৰিব পাৰে; ডাঙৰ নৈৰ লগত লগ লাগি পর্ব্বতীয়া জুৰিও সাগৰত পৰেগৈ। এই পদ্যটিৰ দ্বিতীয় ভাগত এটা বিশেষ অর্থ প্রকাশ পাইছে। এই বিশেষ অর্থটো হ'ল যে পাহাৰীয়া সৰু সৰু জুৰিও এদিন গৈ সাগৰত পৰে। প্রথম ভাগত এটি সাধাৰণ বিষয় বর্ণনা কৰা হৈছে, কোৱা হৈছে যে ডাঙৰৰ সহায়ত সৰুৱেও কাম সমাধা কৰিব পাৰে। ইয়াত দ্বিতীয়ার্দ্ধৰ বিশেষ অর্থই প্রথমার্দ্ধত বর্ণনা কৰা সাধাৰণ বিষয়টোৰ যুক্তিযুক্ততা প্রতিপাদন কৰিছে। সেয়েহে ইয়াত "বিশেষৰ দ্বাৰা সামান্যৰ সমর্থনত অর্থান্তৰন্যাস অলঙ্কাৰ" হৈছে।

সেইদৰে বৈধর্ম্যতঅর্থান্তৰন্যাসৰ এটি উদাহৰণ তলত উল্লেখ কৰা হ'ল। এই শ্লোকটিত সাধাৰণ অর্থৰ দ্বাৰা বিশেষ অর্থৰ সমর্থনত অর্থান্তৰ ন্যাস অলঙ্কাৰ হৈছে। যেনে—

"ইত্থমাৰাধ্যমানো্পি ক্লিশ্নাতি ভুৱনত্রয়ম্।
শাম্যেৎ প্রত্যপকাৰেণ নোপকাৰেণ দুর্জ্জনঃ।।"

এই পদ্যটিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হৈছে— ইত্থম্ (এইদৰে) আৰাধ্যমানোহপি (আৰাধিত হৈয়ো) ক্লিশ্নাতি (পীড়া বা কষ্ট দিছে) ভুৱনত্রয়ম্ (তিনিও ভুৱনক)। শাম্যেৎ (শান্ত হয়) প্রত্যপকাৰেণ (ওলোটাই অপকাৰ কৰিলে) নোপকাৰেণ (উপকাৰ কৰিলে নহয়) দুর্জ্জনঃ (দুর্জ্জন বা দুষ্টসকল)। উক্ত শ্লোকফাঁকিৰ অসমীয়া অনুবাদ কৰিলে এনেধৰণে হ'ব যে, "এইদৰে আৰাধিত হৈয়ো তাৰকাসুৰে তিনিও ভুৱনক পীড়া দিব ধৰিছে; ওলোটাই অপকাৰ কৰিলেহে দুর্জ্জন শান্ত হয়, উপকাৰ কৰিলে শান্ত নহয়।"

এই পদ্যফাঁকিত সাধাৰণ অর্থ বিশেষ অর্থৰ সমর্থক হৈছে। অর্থাৎ সকলো দুর্জ্জনলোকৰ প্রতি প্রযোজ্য মন্তব্যই তাৰকাসুৰৰ কার্য্যক সমর্থন কৰিছে। কিন্তু সাধাৰণ অর্থ আৰু বিশেষ অর্থ বিপৰীত ধর্মৰ হৈছে। সেয়েহে ইয়াত বৈধর্ম্যত সাধাৰণৰ দ্বাৰা বিশেষ অর্থৰ সমর্থনত অর্থান্তৰ ন্যাস অলঙ্কাৰ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২০ ঃ নিদর্শনা অলঙ্কাৰ কাক বোলে?

.....

.....

প্ৰশ্ন নং ২১ ঃ নিদর্শনা অলঙ্কাৰ কেই প্ৰকাৰৰ আৰু কি কি?

.....

.....

.....

প্ৰশ্ন নং ২২ ঃ অর্থান্তৰন্যাস অলঙ্কাৰৰ লক্ষণ লিখক।

.....

.....

প্ৰশ্ন নং ২৩ ঃ অর্থান্তৰন্যাস অলঙ্কাৰ সৰ্বমুঠ কেই প্ৰকাৰৰ?

.....

প্ৰশ্ন নং ২৪ ঃ অর্থান্তৰন্যাস অলঙ্কাৰৰ এটি উদাহৰণ লিখক।

.....

.....

.....



৭.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- কাব্যত ব্যৱহাৰ হোৱা অলঙ্কাৰৰ বিষয়ে জানিব পাৰিলে।
- কাব্যত অলঙ্কাৰে শব্দ আৰু অর্থৰ শোভা বঢ়ায়। লগতে ই কাব্যৰ আত্মা ৰসৰো উপকাৰ সাধন কৰে সেই বিষয়েও জানিব পাৰিলে।
- অলঙ্কাৰৰ ভাগসমূহৰ বিষয়েও আপুনি অৱগত হ'ল। সংস্কৃত সাহিত্যত বহু অলঙ্কাৰ পোৱা যায়। এই অধ্যায়টি অধ্যয়ন কৰি তাৰে কেইটামান অলঙ্কাৰ যেনে— উপমা, ৰূপক, অনন্বয়, অপহ্নুতি নিদর্শনা আৰু অর্থান্তৰন্যাসৰ বিষয়ে সবিশেষ অধ্যয়ন কৰিলে।



৭.১১ অধিক জানিবলৈ

১) শাস্ত্ৰী, ড° বিশ্বনাৰায়ণ, *সাহিত্যদর্পণ* (১৯৯৯), অনুবাদ আৰু সম্পাদনা, গুৱাহাটী ঃ শৰাইঘাট প্ৰকাশন।

২) সিদ্ধান্তবাগীশ, হৰিদাস, সম্পাদক, *সাহিত্যদর্পণঃ* (বিশ্বনাথ বিৰচিত), কলিকাতা।



৭.১২ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ 'সাহিত্যদর্পণ' গ্রন্থৰ ৰচক হৈছে বিশ্বনাথ কবিৰাজ।

২নং প্রশ্নৰ উত্তৰ ঃ 'পৰিচ্ছেদ' বুলিলে গ্রন্থৰ একোটা অধ্যায়ক বুজায়।

৩নং প্রশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজৰ মতে, কাব্যৰ অলঙ্কাৰ হৈছে কাব্যৰ অতিশয় সৌন্দর্য্যবর্দ্ধক, ৰস আদিৰ উপকাৰক, শব্দ আৰু অর্থৰ অস্থিৰ ধর্ম আৰু ই মানৱ শৰীৰৰ অলঙ্কাৰৰ দৰে।

৪নং প্রশ্নৰ উত্তৰ ঃ অলঙ্কাৰ তিনি প্রকাৰৰ— শব্দালঙ্কাৰ, অর্থালঙ্কাৰ আৰু উভয়ালঙ্কাৰ।

৫নং প্রশ্নৰ উত্তৰ ঃ উভয়ালঙ্কাৰৰ আন এটা নাম পুনৰুক্তৱদাভাস অলঙ্কাৰ।

৬নং প্রশ্নৰ উত্তৰ ঃ উপমা অলঙ্কাৰৰ লক্ষণ হৈছে— সাম্যং বাচ্যমবৈধর্ম্যং বাক্যৈক্য উপমা দ্বয়োঃ।

৭নং প্রশ্নৰ উত্তৰ ঃ উপমা অলঙ্কাৰক দুটা ভাগত ভাগ কৰা হৈছে— পূর্ণা উপমা আৰু লুপ্তা উপমা।

৮নং প্রশ্নৰ উত্তৰ ঃ ৰঘুবংশৰ ৰচক হৈছে মহাকবি কালিদাস।

৯নং প্রশ্নৰ উত্তৰ ঃ মহাকাব্য।

১০নং প্রশ্নৰ উত্তৰ ঃ ৰূপক অলঙ্কাৰৰ লক্ষণ হৈছে— ৰূপকং ৰূপিতাৰোপঃ বিষয়ে নিৰপহ্নবে।

১১নং প্রশ্নৰ উত্তৰ ঃ ৰূপক অলঙ্কাৰক তিনি ভাগত ভাগ কৰা হৈছে। যেনে—
(ক) পৰম্পৰিত ৰূপক, (খ) সাঙ্গ ৰূপক আৰু (গ) নিৰঙ্গ ৰূপক।

১২নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰিত ৰূপক দুই প্রকাৰৰ। যেনে— শ্লিষ্টশব্দনিবন্ধনপৰম্পৰিত ৰূপক আৰু অশ্লিষ্ট শব্দনিবন্ধনপৰম্পৰিতৰূপক।

১৩নং প্রশ্নৰ উত্তৰ ঃ সাঙ্গৰূপক দুই প্রকাৰৰ— সমস্ত বস্তুবিষয়ক আৰু একদেশবিৱর্ত্তী।

১৪নং প্রশ্নৰ উত্তৰ ঃ নিৰঙ্গৰূপক দুই প্রকাৰৰ— মালাৰূপনিৰঙ্গৰূপক আৰু কেৱলৰূপনিৰঙ্গৰূপক।

১৫নং প্রশ্নৰ উত্তৰ ঃ অনন্বয় অলঙ্কাৰৰ লক্ষণ হৈছে— উপমানোপমেয়ত্বমেকস্যৈব ত্বনন্বয়ঃ।

১৬নং প্রশ্নৰ উত্তৰ ঃ অনন্বয় অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—
ৰাজীৱমিৱ ৰাজীৱং জলং জলমিৱাজনি।
চন্দ্রশ্চন্দ্র ইৱাতন্দ্রঃ শৰৎসমুদয়োদ্যমে।।

১৭নং প্রশ্নৰ উত্তৰ ঃ উপমেয়ক (প্রকৃত বস্তুক) নিষেধ কৰি উপমানক (অন্য বস্তুক) স্থাপন কৰিলে তাত অপহ্নুতি অলঙ্কাৰ হয় (প্রকৃতং প্রতিষিধ্যান্যস্থাপনং স্যাদপহ্নুতিঃ)।

১৮নং প্রশ্নৰ উত্তৰ ঃ অপহ্নুতি অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—
"নেদং নভোমণ্ডলমম্বুৰাশি র্নৈতাশ্চ তাৰা নৱফেনভঙ্গাঃ।
নায়ং শশী কুণ্ডলিতো ফণীন্দ্রো নাসৌ কলঙ্কঃ শয়িতো মুৰাৰিঃ।।"

১৯নং প্রশ্নৰ উত্তৰ ঃ অপহ্নুতি অলঙ্কাৰ দুই প্ৰকাৰৰ— প্ৰথমে, কেতিয়াবা নিষেধ কৰি আৰোপ কৰা হয়। দ্বিতীয়তে, কেতিয়াবা আৰোপ কৰি নিষেধ কৰা হয়।

২০নং প্রশ্নৰ উত্তৰ ঃ যদি দুটা পদাৰ্থৰ পৰস্পৰ সম্বন্ধ কোনো ঠাইত সম্ভৱ আৰু কোনো ঠাইত অসম্ভৱ হৈ বিম্ব প্ৰতিবিম্বভাৱৰ বোধ হয় অৰ্থাৎ সাদৃশ্য ভাৱৰ ধাৰণা হয়, তাতে নিদৰ্শনা অলঙ্কাৰ হয়।

২১নং প্রশ্নৰ উত্তৰ ঃ নিদৰ্শনা অলঙ্কাৰ দুই প্ৰকাৰৰ। যেনে—

ক) সম্ভৱবস্তুসম্বন্ধ নিদৰ্শনা।

খ) অসম্ভৱবস্তুসম্বন্ধ নিদৰ্শনা।

২২নং প্রশ্নৰ উত্তৰ ঃ সাধৰ্ম্য আৰু বৈধৰ্ম্যৰ ভিত্তিত সাধাৰণৰদ্বাৰা বিশেষৰ, বিশেষৰদ্বাৰা সাধাৰণৰ, কাৰ্য্যৰদ্বাৰা কাৰণৰ, কাৰণৰদ্বাৰা কাৰ্য্যৰ সমৰ্থনত অৰ্থান্তৰন্যাস অলঙ্কাৰ হয়।

২৩নং প্রশ্নৰ উত্তৰ ঃ অৰ্থান্তৰন্যাস অলঙ্কাৰ সৰ্বমুঠ আঠ প্ৰকাৰৰ।

২৪নং প্রশ্নৰ উত্তৰ ঃ অৰ্থান্তৰন্যাস অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

বৃহৎসহায়ঃ কাৰ্য্যান্তং ক্ষোদীয়ানপি গচ্ছতি।
সম্ভূয়াম্ভোধিমভ্যেতি মহানদ্যা নগাপগা।।



৭.১৩ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ অৰ্থালঙ্কাৰ কি?

প্রশ্ন ২ ঃ অস্থিৰ ধৰ্ম কি?

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কাব্যৰ অলঙ্কাৰ কি? বহলাই লিখক।

প্রশ্ন ২ ঃ উপমা অলঙ্কাৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰূপক অলঙ্কাৰ কাক বোলে? ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ উদাহৰণেৰে সৈতে অনন্বয় অলঙ্কাৰ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ অপহ্নুতি অলঙ্কাৰৰ বিষয়ে বহলাই ব্যাখ্যা কৰি লিখক।

*** ***** ***